OFFICE OF THE DISTRICT ELEMENTARY EDUCATION OFFICER CUM DMC

# AXOM SARBA SIKSHA ABHIJAN MISSION, KAMRUP

LACHITPUR (HAJO ROAD) AMINGAON GUWAHATI-31

SL-18

File No- SSA/KAM/TT/ UNIFORM/51/2018/ Vol- I/235 Date:- 29.2.20

প্ৰেৰকঃ অপূৰ্ব ঠাকুৰীয়া
জিলা প্ৰাথমিক শিক্ষা বিষয়া,তথা
জিলা মিছন সমন্বয়ক, সৰ্বশিক্ষা অভিযান, কামৰূপ

প্ৰতিঃ

সভাপতি আৰু সদস্য সচিব,
বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় পৰিচালনা উন্নয়ণ সমিতি (সকলো বিদ্যালয়)

বিষয়ঃ বিদ্যালয়ৰ ঐক্য পোছাক সম্বন্ধীয় ।

মহাশয় / মহাশয়া,

সন্মান সহকাৰে ইয়াৰ দ্বাৰা আপোনাক / আপোনালোকক অৱগত কৰো যে চৰকাৰী/প্ৰাদেশীকৃত নিম্ন/উচ্চ প্ৰাথমিক আৰু সংযোগী (Composite) বিদ্যালয়ৰ ছাত্ৰ/ছাত্ৰীক বিনামুলীয়া ঐক্য পোছাক যোগান ধৰাৰ উদ্দেশ্যে ইতিমধ্যে ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষৰ বাবে বিদ্যালয় পৰিচালনা সমিতি / বিদ্যালয় উন্নয়ণ সমিতিলৈ প্ৰয়োজনীয় ধন মুকলি কৰি দিয়া হৈছে ।

গতিকে, আপোনাক / আপোনালোকক নিৰ্দিষ্ট সময়ৰ ভিতৰত ঐক্য পোছাক ক্ৰয় আৰু বিতৰণ কৰাৰ কাৰণে যাৱতীয় ব্যৱস্থা গ্ৰহন কৰিবলৈ অনুৰোধ জনালো ।

গাঠি দিয়া হ'লঃ ঐক্য পোছাক সম্বন্ধীয় নিৰ্দেশাৱলী ।

শ্ৰদ্ধাৰে
(অপূৰ্ব ঠাকুৰীয়া)
জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা
জিলা মিছন সমন্বয়ক
সৰ্বশিক্ষা অভিযান,কামৰূপ

প্ৰতিলিপি প্ৰেৰণ কৰা হ'লঃ

১। মিছন সঞ্চালক,সৰ্বশিক্ষা অভিযান,অসম জ্ঞাতাৰ্থে ।
২। জিলা উপায়ুক্ত,কামৰূপ জ্ঞাতাৰ্থে ।
৩।খণ্ড প্ৰাথমিক শিক্ষা বিষয়া তথা খণ্ড মিছন সমন্বয়ক (সকলো ), জ্ঞাতাৰ্থে ও ব্যৱস্থাগ্ৰহণাৰ্থে ।
৪। বিদ্যালয় প্ৰধান (সকলো বিদ্যালয়), জ্ঞাতাৰ্থে ও ব্যৱস্থাগ্ৰহণাৰ্থে ।

জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা
জিলা মিছন সমন্বয়ক
সৰ্বশিক্ষা অভিযান,কামৰূপ

OFFICE OF THE DISTRICT ELEMENTARY EDUCATION OFFICER CUM DMC
AXOM SARBA SIKSHA ABHIJAN MISSION, KAMRUP
LACHITPUR (HAJO ROAD) AMINGAON GUWAHATI-31

SL-17

# নির্দেশাৱলী ( সংক্ষিপ্তকৰণ,ভাষান্তৰকৰণ)

১। প্ৰতিগৰাকী ছাত্ৰ/ছাত্ৰীৰ বাবে চাৰিযোৰ উচ্চ মানদণ্ডৰ ঐক্য পোছাক যোগান ধৰিব লাগিব ।

২। চাৰিযোৰ ঐক্য পোছাক ১২০০/- টকাৰ ভিতৰত ক্ৰয় কৰিব লাগিব ( ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষৰ বাবে ) ।

৩। কাপোৰৰ গুণগত মানদণ্ডৰ ক্ষেত্ৰত অসম টেক্সটাইল ইনষ্টিটিউট, গুৱাহাটীয়ে নিৰ্দিষ্ট কৰি দিয়া মাপকাঠী অনুসৰণ কৰিব ।

৪। ঐক্য পোছাকৰ ক্ৰয় আৰু বিতৰণ বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ণ সমিতিৰ জৰিয়তে কৰিব লাগিব ।

৫। সকলো ছাত্ৰ/ছাত্ৰীয়ে ঐক্য পোছাক ১৫-০৩-২০২০ তাৰিখৰ পূৰ্বে পোৱাটো বিদ্যালয় পৰিচালনা / উন্নয়ণ সমিতিয়ে নিশ্চিত কৰিব লাগিব ।

৬। প্ৰতিখন বিদ্যালয়ে নুন্যতম তিনিটা পঞ্জীয়ণভুক্ত ব্যৱসায়িক প্ৰতিস্থানৰ পৰা নিবিদা সংগ্ৰহ কৰি,নিবিদা আৰু কাপোৰৰ নমুনা পৰীক্ষা কৰাৰ লগতে অনুমোদন প্ৰদান কৰিব ।নিৰ্দেশত কাপোৰৰ নমুনা,ৰং,পোছাকৰ সংখ্যা,যোগানৰ তাৰিখ ইত্যাদি উল্লেখ থাকিব লাগিব ।

৭। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ ছাত্ৰৰ বাবে ঐক্য পোছাক—চাৰ্ট মটীয়া (Grey), আৰু পেন্ট গাঢ় নীলা (Navy Blue) বৰণৰ হ'ব লাগিব । উক্ত শ্ৰেণীৰ ছাত্ৰীৰ বাবে ঐক্য পোছাক—চাৰ্ট মটীয়া (Grey), স্কাৰ্ট গাঢ় নীলা (Navy Blue) বৰণৰ হ'ব লাগিব ।

৮। ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰৰ বাবে ঐক্য পোছাক—চাৰ্ট বগা (White), পেন্ট গাঢ় নীলা (Navy Blue) আৰু ছাত্ৰীৰ বাবে ঐক্য পোছাক – কূৰ্টা গাঢ় নীলা (Navy Blue), ছলৱাৰ/পাইজামা বগা (White) আৰু জেকেট ডাঠ নীলা (Dark Blue) হ'ব লাগিব ।

৯। নিম্নতম মূল্যৰ আৰু চৰ্ত মানি লোৱা যোগানকাৰী প্ৰতিস্থানক ক্ৰয় নিৰ্দেশণা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু সদস্য সচিবৰ যুটীয়া হস্তাক্ষৰত নিৰ্ধাৰিত প্ৰ-পত্ৰত দিব লাগিব ।

১০। অনুমোদিত প্ৰতিস্থানৰ দ্বাৰা প্ৰতিগৰাকী ছাত্ৰ/ছাত্ৰীৰ ঐক্য পোছাকৰ জোখ-মাখ সঠিক ভাবে লব লাগিব।

SL-16

১১। বিদ্যালয় পৰিচালনা সমিতি / বিদ্যালয় উন্নয়ণ সমিতিৰ সদস্য/সদস্যা, শিক্ষক আৰু তিনি গৰাকী জেষ্ঠ্য নাগৰিকক লৈ প্ৰতিখন বিদ্যালয়ে এখন গুনাগুণ নিৰূপণ কমিটী গঠণ কৰিব লাগিব ।উক্ত কমিটীয়ে ঐক্য পোছাকৰ নমুনা,গুণাগুণ পৰীক্ষা কৰি অনুমোদন জনাব ।

১২। A/C Payee Cheque ৰ জৰিয়তে ঐক্য পোছাক যোগানধাৰী প্ৰতিস্থানক টকা দিব লাগিব ।

১৩।ঐক্য পোছাক শিতানত কোনো ধন ৰাহি হলে নিৰ্দিষ্ট বিত্তীয় বৰ্ষৰ ভিতৰত জিলা পৰ্যায়লৈকে ঘুৰাই পঠাব লাগিব ।

১৪। ঐক্য পোছাক সম্বন্ধীয় সকলো তথ্য পাতি সংৰক্ষণ কৰিব লাগিব ।

১৫। বিদ্যালয়ৰ সদস্য সচিব বা আন কোনো শিক্ষক ঐক্য পোছাক সম্বন্ধীয় কামত পাঠদানৰ সময়ত বিদ্যালয়ৰ বাহিৰত যাব নোৱাৰিব ।

১৬। ঐক্য পোছাক সম্বন্ধীয় যিকোনো স মস্যাৰ সমাধানৰ বাবে বিদ্যালয় পৰ্যায়ৰ কমিটীয়ে খণ্ড পৰ্যায়ৰ কমিটীক অবগত কৰিব পাৰিব । প্ৰয়োজন সাপেক্ষে জিলা পৰ্যায়ৰ কমিটীৰ লগত যোগাযোগ স্থাপন কৰিব ।

১৭। বিদ্যালয় পৰিচালনা সমিতি / বিদ্যালয় উন্নয়ণ সমিতিয়ে নিৰ্দিষ্ট শিক্ষাবৰ্ষৰ ভিতৰত ঐক্য পোছাকৰ ধন ব্যৱহাৰৰ প্ৰমাণ পত্ৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াক জমা দিব লাগিব ।

বি.দ্ৰ.-স ম্পূৰ্ণ নিৰ্দেশাৱলী ইতিমধ্যে বিদ্যালয়সমুহলৈ প্ৰেৰণ কৰা হৈছে ।

(অপূৰ্ব ঠাকুৰীয়া)
জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা
জিলা মিছন সমন্বয়ক
সৰ্বশিক্ষা অভিযান,কামৰূপ